بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# আল্লাহৰ প্ৰতি ভালপোৱাৰ পৰিপ্ৰেক্ষিতত আঁহজৰত (ছাঃ)ৰ পৱিত্ৰ জীৱনীৰ ঈমান উদ্দীপক আৰু হৃদয়স্পৰ্শী বিৱৰণ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৬ ডিচেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে বিগত খোতবাত মই আঁহজৰত (ছাঃ)ৰ জীৱনীৰ আলোকত কিছু কথা উল্লেখ কৰিছিলোঁ। আজি আল্লাহ তা'লাৰ প্ৰতি ভালপোৱাৰ বিষয়ে তেখেত (ছাঃ)ৰ জীৱনীৰ কিছু দিশ বৰ্ণনা কৰিম। তেখেত (ছাঃ)ৰ জীৱনীৰ দিশলৈ চালে এইটো দেখিবলৈ পোৱা যায় যে তেখেত (ছাঃ)ৰ প্ৰতি আল্লাহৰো ভালপোৱা আছিল। তেখেত (ছাঃ)য়ে কেৱল আল্লাহ তা'লাক ভাল পাইছিল এনে নহয়, বৰঞ্চ আল্লাহ তা'লাও তেখেত (ছাঃ)ক ভাল পাইছিল বুলি স্পষ্ট হোৱাৰ পিছত তেখেত (ছাঃ)ক পথ নিৰ্দেশনাও কৰিছিল, তথা কিদৰে তেখেত (ছাঃ)য়ে খোদাৰ প্ৰেমত বিলীন হৈ নিজৰ উম্মতক প্ৰশিক্ষণ কৰিছিল, এই ভালপোৱাৰ কথা আমি বিভিন্ন বৰ্ণনাত দেখিবলৈ পাওঁ। যিদৰে আল্লাহ তা'লাই তেখেত (ছাঃ)ক ভাল পাইছিল তেনেদৰে তেখেত (ছাঃ)য়েও আল্লাহ তা'লাক ভাল পাইছিল। তেখেত (ছাঃ) পৰিপূৰ্ণ মানৱ আছিল যাৰ স্থানলৈ কোনেও উপনীত হ'ব নোৱাৰে। হয়, আল্লাহ তা'লাই কৈছে যে তেখেত (ছাঃ) তোমালোকৰ বাবে আদৰ্শস্বৰূপ, গতিকে তেখেত (ছাঃ)ৰ অনুসৰণ কৰিবলৈ চেষ্টা কৰা। কাৰণ আল্লাহ তা'লাই তেখেত (ছাঃ)ৰ জৰিয়তে ঘোষণা কৰি কৈছে যে তুমি লোকসকলক কৈ দিয়া যে হে মানৱজাতি ! যদি তোমালোকে আল্লাহক ভালপোৱা তেন্তে মোৰ আনুগত্য স্বীকাৰ কৰা, এনে ক্ষেত্ৰত সেইজনাই তোমালোকক ভাল পাব, আৰু তোমালোকৰ পাপসমূহ ক্ষমা কৰিব। আল্লাহ ক্ষমাশীল আৰু পৰম দানশীল। গতিকে আল্লাহ তা'লাক ভালপোৱাৰ পদ্ধতিটো তেখেত (ছাঃ)ৰ আদৰ্শৰ পৰাই

শিকিব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে আল্লাহ তা'লাৰ প্ৰতি তেওঁৰ যি গভীৰ প্ৰেম আছিল তাৰ বহু নিদৰ্শন হাদীছসমূহত পোৱা যায়। তেখেত প্ৰায়ে এই দোৱা কৰিছিল যে হে আল্লাহ ! মই তোমাৰ পৰা তোমাৰ ভালপোৱা বিচাৰো, আৰু সেই লোকৰ ভালপোৱা বিচাৰো যিসকলে তোমাক ভাল পায় আৰু এনেকুৱা কৰ্মৰ ওপৰত পৰিচালিত কৰা যিয়ে তোমাৰ ভালপোৱাত উপনীত কৰিব পাৰে। হে আল্লাহ ! তুমি নিজৰ প্ৰেম মোৰ অস্তিত্ব আৰু মোৰ পৰিয়াল-পৰিজনৰ বাবে শীতল পানীতকৈ অধিক প্ৰিয় কৰি তোলা। গতিকে এইটো সেই দোৱা যাক আজি প্ৰতিজন ব্যক্তিয়ে কৰা উচিত যিয়ে আঁহজৰত (ছাঃ)ৰ সৈতে ভালপোৱাৰ দাবী কৰে। যিয়ে আল্লাহ্ তা'লাৰ সৈতে ভালপোৱাটো বিচাৰে আৰু আল্লাহ্ তা'লাৰ প্ৰিয় হ'ব বিচাৰে, আল্লাহ্ তা'লা তেওঁৰ ওপৰত নিজৰ দয়া কৰক।

আল্লাহ্ তা'লাৰ সৈতে ভালপোৱাৰ এটা ঘটনা হজৰত আয়শা (ৰাঃ)য়ে এনেদৰে বৰ্ণনা কৰিছে যে এটা ৰাতি মই আঁহজৰত (ছাঃ)ক ছিজদাত এই দোৱা কৰি থকা শুনিছো যে মই তোমাৰ ক্ৰোধৰ পৰা আঁতৰি তোমাৰ সন্তুষ্টিৰ আশ্ৰয়ত আহো, আৰু তোমাৰ শাস্তিৰ পৰা ক্ষমাৰ আশ্ৰয় বিচাৰো। মই তোমাৰ প্ৰশংসা কৰি শেষ কৰিব নোৱাৰো। তুমি তেনেকুৱা যিদৰে তুমি নিজৰে প্ৰশংসা কৰা। এইদৰে হজৰত আয়শা (ৰাঃ)য়ে  কৈছে এটা ৰাতি মই তেখেত (ছাঃ)ক এয়া কৈ থকা শুনিছো যে তোমাৰ বাবে মোৰ দেহ আৰু প্ৰাণ ছিজদাৰত আছে, মোৰ হৃদয়ে তোমাৰ ওপৰত বিশ্বাস স্থাপন কৰে। হে মোৰ প্ৰভু ! মোৰ দুয়োখন হাত তোমাৰ সন্মুখতে আছে, এই হাতৰ দ্বাৰা মই যি নিজৰ প্ৰাণৰ ওপৰত অত্যাচাৰ কৰিছোঁ, সেয়াও তোমাৰ সন্মুখতে। হে মহান প্ৰভু!  তোমাৰ পৰাই বৃহৎ বৃহৎ আশা কৰা হয়, গতিকে তুমি ডাঙৰ পাপবোৰ ক্ষমা কৰি দিয়া। ইয়াৰ পিছত হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে জিব্ৰাইল মোৰ ওচৰত আহিছিল, তেওঁ মোক এই শব্দাৱলী পঢ়িবলৈ কৈছিল, সেই কাৰণে তুমিও ছিজদাত এই দোৱা পঢ়া। যিয়ে এই বাক্য পঢ়িব, ছিজদাৰ পৰা মূৰ উঠোৱাৰ আগতেই তেওঁক ক্ষমা কৰা হ'ব। আন এটা বৰ্ণনা অনুসৰি জিব্ৰাইল (আঃ)য়ে কৈছিল যে আপোনাৰ প্ৰভুৱে আপোনাক কৈছে যে আপুনি বকিআৰ বাসিন্দা সকলৰ ওচৰলৈ গৈ তেওঁলোকৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা। হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে মইও এই ছোৱাবত অন্তভুক্ত হ'ব পাৰো, কাৰণ মই তাৰ পৰাই আহিছো, গতিকে মই কি দোৱা কৰিম ? তেখেত (ছাঃ)য়ে কৈছে যে তুমি কোৱা, মোমিন মুছলমান সকলৰ ফালৰ পৰা এই ঘৰত শান্তি বৰ্ষিত কৰক, আমাতকৈ আগতে যোৱা সকলৰ আৰু পিছত যোৱা সকলৰ  ওপৰত আল্লাহ তা'লাই দয়া কৰক। আল্লাই যদি ইচ্ছা কৰে তেন্তে আমিও তোমালোকৰ অন্তৰ্ভুক্ত হ'ম।

হজৰত ইবনে উমৰ (ৰাঃ)য়ে হজৰত আয়শা (ৰাঃ)ক সুধিছিল যে ৰছুলে কৰিম (ছাঃ)ৰ সকলোতকৈ বেছি প্ৰীতিমূলক আৰু অদ্ভুত কথা যি আপুনি দেখিছে সেয়া মোক কওঁক। এই কথা শুনি হজৰত আয়শা (ৰাঃ)য়ে কান্দি কয় যে তেখেত (ছাঃ)ৰ সকলোবোৰ কথা প্ৰিয় আৰু অদ্ভুত আছিল। হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰি কয় যে এবাৰ তেখেত (ছাঃ)য়ে মোৰ বাবে নিৰ্দিষ্ট কৰা ৰাতিত মোৰ ওচৰলৈ আহিছিল তেতিয়া মই তেখেত (ছাঃ)ৰ শৰীৰটো অনুভৱ কৰিছিলোঁ, তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে হে আয়শা ! যদি মোক অনুমতি দিয়া তেন্তে মই আজিৰ অৱশিষ্ট ৰাতি আল্লাহৰ উপাসনা কৰিম; মই কলো যে মোৰ আপোনাৰ সান্নিধ্য আৰু ইচ্ছা দুয়োটা প্ৰিয় হয়। ইয়াৰ পিছত অজু

কৰি তেখেত (ছাঃ)য়ে থিয় হৈ কোৰআন পাঠ কৰিব ধৰিলে, ইমানে যে মই দেখা পালো যে তেখেত (ছাঃ)ৰ চকুৰ পৰা অশ্ৰু বৈ আছে। ইয়াৰ পিছত তেখেতে সোঁফালে কাতি লয় আৰু নিজৰ সোঁ হাতখন গালৰ তলত ৰাখি কান্দিব ধৰিলে, ইমানেই যে অশ্ৰু গৈ মাটিত পৰি আছিল। ইয়াৰ পিছত হজৰত বিলাল (ৰাঃ)য়ে তেখেত (ছাঃ)ক ফজৰৰ নামাজৰ বাবে সংবাদ দিবলৈ আহি দেখা পাইছিল যে তেখেত (ছাঃ)য়ে কান্দি আছে, তেতিয়া বিলাল (ৰাঃ)য়ে কৈছিল যে হে আল্লাহৰ ৰছুল ! আপুনি কান্দি আছে? আল্লাহ তা'লাই আপোনাৰ আগৰ পিছৰ সকলো পাপ ক্ষমা কৰি দিছে। তেখেত (ছাঃ)য়ে কৈছিল যে মই আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰা বান্দা নহ'মনে !

তেখেত (ছাঃ)ৰ গোটেই জীৱন আল্লাহৰ প্ৰেমত নিমগ্ন হৈ আছিল। তেখেত খোদাৰ প্ৰতি প্ৰেমৰ এই গভীৰতা দেখি মক্কাবাসীয়ে এয়া কৈছিল যে **ইন্না মুহাম্মাদান আশ্বিকা ৰাববাহু,** অৰ্থাৎ মহম্মদ (ছাঃ) নিজৰ প্ৰভুৰ প্ৰেমত নিমগ্ন হৈ গৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে আঁহজৰত (ছাঃ)ৰ এই আদৰ্শ আল্লাহ তা'লাৰ প্ৰেমৰ এক আদৰ্শ আছিল যাৰ কিছু উদাহৰণ মই উত্থাপন কৰিলোঁ। সেই আদৰ্শৰ প্ৰভাৱ এয়া আছিল যে চাহাবাসকলৰ মাজত এক বিপ্লৱ সৃষ্টি হৈছিল, চাহাবা সকলে সেই মৰ্যাদা লাভ কৰিছিল যাৰ বিষয়ে তেওঁলোকৰ আগতে কল্পনাও কৰা নাছিল। এইটো সেই পৰিপূৰ্ণ আৰু সম্পূৰ্ণ শিক্ষা যাক তেখেত (ছাঃ)ৰ সত্য দাস হজৰত মছীহ মাওউদ (আঃ)য়ে অনুসৰণ কৰিছিল। তেখেত (আঃ)য়ে এঠাইত কৈছে যে আল্লাহ তা'লাই তেওঁক এই মৰ্যাদা প্ৰদান কৰিছে কেৱল এই কাৰণেই তেওঁ নবী কৰিম (ছাঃ)ক পৰিপূৰ্ণভাৱে অনুসৰণ কৰিছিল। আজি আমি এই দাবী কৰো যে আঁহজৰত (ছাঃ)ৰ প্ৰকৃত অনুসাৰী আৰু আমি তেখেত (ছাঃ)ৰ সত্য দাসৰ বয়াত গ্ৰহণ কৰি অংগীকাৰ কৰিছোঁ যে পৰৱৰ্তীত আমি আমাৰ জীৱন খোদা তা'লাৰ আদেশ অনুযায়ী কটাবলৈ চেষ্টা কৰিম। তেন্তে আমি ইয়াৰ প্ৰতি মনোযোগ দিব লাগিব যে আমি প্ৰত্যেক কাম নিখুঁতভাৱে আল্লাহ তা'লাৰ বাবে কৰিম। গতিকে সেইজনাৰ প্ৰতি প্ৰেম বৃদ্ধিৰ বাবে আগুৱাই যোৱাৰ চেষ্টা কৰিব লাগিব। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱা কৰিব। মোবাৰক ছানি চাহাব যিয়ে কোৰআন কৰিম ঘৰতে ৰখা, পঢ়া আৰু আনক পঢ়োৱাৰ অভিযোগৰ অধীনত এটা মোকৰ্দমা চলি আছিল, তেওঁক ছেশ্বন ন্যায়াধীশে আজীবন কাৰাদণ্ডৰ শাস্তি শুনাইছে। আমি দোৱা কৰো, তেওঁলোক অতি সোনকালে আল্লাহৰ কৰায়ত্বলৈ আহঁক, আল্লাহৰ শাস্তি অতি সোনকালে ইনশা আল্লাহ তেওঁলোকৰ ওপৰত আহিব, তাৰ কিছু লক্ষণসমূহ দেখিবলৈ পোৱা গৈ আছে। কিন্তু দোৱা কম কৰাৰ ফলত বা কৰ্ম বা সঠিকভাৱে উপাসনা নকৰাৰ ফলত যেন এই শাস্তি দিয়াত বিলম্ব নহয়, ইয়াৰ বাবে চিন্তা-ভাৱনা কৰা উচিত। ঠিক সেইদৰে আঁহজৰত (ছাঃ)য়েও কেতিয়াবা মেঘ দেখা মাত্ৰেই ভয় অনুভৱ কৰি দোৱা কৰিছিল। গতিকে দোৱাৰ প্ৰতি গুৰুত্বসহকাৰে মনোযোগ দিয়া উচিত। এইদৰে আন দেশৰ নিপীড়িত সকলৰ বাবেও দোৱা কৰিব, আল্লাহ তা'লা সকলো ঠাইতে শান্তি স্থাপন কৰক আৰু সকলো ধৰণৰ ফিৎনা -ফাছাদৰ পৰা নিৰাপদে ৰাখক।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন প্ৰয়াতৰ সদগতিৰ কথা উল্লেখ কৰে। প্ৰথম জন মাননীয় মৌলানা জালাল উদ্দিন নায়ৰ চাহাব প্ৰাক্তন সভাপতি ছদৰ আঞ্জুমান আহমদীয়া আৰু সভাপতি

ছদৰ মজলিছ তেহেৰিকে জাদিদ কাদিয়ান আছিল। তেখেতৰ পিতৃ মাননীয় এছ্. হুছেইন চাহাব (কেৰেলা) ১৯২২ চনত আহমদীয়ত গ্ৰহণ কৰিছিল। জামাতী আলোচনী সত্য দূতনৰ সম্পাদক আছিল। ১৯৫০ চনত হজৰত মুচলেহ্ মাওউদ (ৰাঃ)ৰ তেহেৰিক বৰায়ে আবাদি কাদিয়ানৰ আহ্বানত নিজৰ গোটেই পৰিয়ালবৰ্গক লৈ কাদিয়ানত আহি বসতি স্থাপন কৰিছিল। কিন্তু এবছৰৰ ভিতৰতে তেখেত মৃত্যুবৰণ কৰিছিল। নায়ৰ চাহাবৰ মাতৃ মাননীয়া জুবায়দা ছুলতানা চাহিবাই চৌধুৰী আব্দুল হক চাহাব দৰৱেশ কাদিয়ানৰ সৈতে দ্বিতীয় বিবাহ পাতিছিল। জালাল উদ্দিন নায়ৰ চাহাবৰ প্ৰাৰম্ভিক শিক্ষা কাদিয়ানৰ পৰা অৰ্জন কৰিছিল। ১৯৬৩ চনত তেখেতে মৌলৱী ফাজিল পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তেখেতে বায়তুল মালৰ ইন্সপেক্টৰ হিচাপে দীৰ্ঘ দিন সেৱা আগবঢ়াইছে। সেই কাৰণে তেখেতৰ ভাৰতৰ জামাতৰ সদস্য সকলৰ সৈতে দীৰ্ঘদিনীয়া ব্যক্তিগত সম্পৰ্ক আছিল। ৬৩ বছৰ প্ৰয়াতজনে জামাতৰ সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিছে। সেই সময়ছোৱাত তেওঁ অডিটৰ, মুহাছিব, আৰু দীৰ্ঘ দিন বায়তুল মালৰ নাজিৰ হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰিছিল। ৭ বছৰ ছদৰ আঞ্জুমান আহমদীয়া কাদিয়ানৰ সভাপতি হিচাপে নিযুক্ত আছিল। স্বাস্থ্যই যেতিয়ালৈকে লগ দিছিল তেতিয়ালৈকে ছদৰ মজলিছ তেহেৰিকে জাদিদৰ সভাপতি হিচাপে সেৱা আগবঢ়াইছিল। এইদৰে উপ-সংগঠনতো সেৱাৰ সৌভাগ্য লাভ কৰিছে। নামাজ ৰোজা বাধ্যতাৰে সৈতে পালন কৰিছিল। খিলাফতৰ প্ৰতিটো নিৰ্দেশ মানি চলা ব্যক্তিসকলৰ মাজৰ এজন আছিল। তেওঁ এজন ক্ৰীড়াবিদো আছিল। প্ৰয়াতজনৰ দুজন ল'ৰা আৰু এজনী ছোৱালী আছে, তেওঁলোকে জামাতৰ সেৱা আগবঢ়াই আছে। এইদৰে মীৰ হাবিব আহমদ চাহাব ইবনে মীৰ মুশ্বতাক আহমদ চাহাবৰ গুণাৱলী বৰ্ণনা কৰি দুয়োজন প্ৰয়াতৰ মাগফিৰাত আৰু মৰ্যাদা বৃদ্ধিৰ বাবে দোৱা কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا إِلٰهَ إِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 26 DEC 2025**

# BOOK POST (PRINTED MATTER)

TO,

............................................................................................................................

............................................................................................................................

............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB